**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-07-2024
**Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। লোকসভাৰ কাৰ্যক্ৰমণিকা অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখা হৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে জনসাধাৰণে লোকসভা নিৰ্বাচনত সুস্থিৰতা আৰু ধাৰাবাহিকতাৰ হকে জনাদেশ দিছে আৰু তেওঁৰ চৰকাৰে তৃতীয় কাৰ্যকালত তিনিগুণ অধিক শক্তি আৰু গতিৰে কাম কৰি তিনিগুণ সফলতা লাভ কৰিব।

৩। ৰাজ্যৰ বান পৰিস্থিতিয়ে জটিল ৰূপ ধাৰণ কৰিছে। প্ৰবল বৰষুণ আৰু অৰুণাচল প্ৰদেশে নামনি সোঁৱণশিৰি নদীবান্ধৰ পৰা অতিৰিক্ত পানী এৰি দিয়াৰ ফলত বান পৰিস্থিতি শোচনীয় হৈ পৰিছে।

৪। উত্তৰ প্ৰদেশৰ হাথৰছ জিলাৰ এখন গাঁৱৰ এটা ধৰ্মীয় সমাবেশত হোৱা হেঁচা-ঠেলাৰ ঘটনাত কমেও ২৭জন লোকে প্ৰাণ হেৰুৱাইছে।

আৰু

৫। টি-২০ বিশ্বকাপ বিজয়ী ভাৰতীয় ক্ৰিকেট দলটো বাৰবাডোছৰ পৰা স্থানীয় সময় অনুসৰি আজি বিয়লি স্বদেশলৈ বুলি ৰাওনা হ'ব।

০০০০০০০

লোকসভাৰ কাৰ্যক্ৰমণিকা অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখা হৈছে। এই সন্দৰ্ভত আমি আমাৰ সংবাদদাতা মানস প্ৰতীম শৰ্মাৰ সৈতে কথা পাতিম। মানস, লোকসভাৰ শেষৰ দিনটোৰ কাৰ্যক্ৰমণিকাৰ বিষয়ে জনাওকচোন-

ভইচ কাষ্ট

ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিম্ন সদনত সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে দিয়া ভাষণৰ প্ৰতি ধন্যবাদসূচক প্ৰস্তাৱৰ উত্তৰ দিয়ে। তেওঁ কয় যে জনসাধাৰণে লোকসভা নিৰ্বাচনত সুস্থিৰতা আৰু ধাৰাবাহিকতাৰ হকে জনাদেশ দিছে আৰু তেওঁৰ চৰকাৰে তৃতীয় কাৰ্যকালত তিনিগুণ অধিক শক্তি আৰু গতিৰে কাম কৰি তিনিগুণ সফলতা লাভ কৰিব। কংগ্ৰেছক কটাক্ষ কৰি শ্ৰীমোদীয়ে কয় যে দেশবাসীয়ে দলটোক বিৰোধী পক্ষত বহাৰ বাবে ভোটদান কৰিছে আৰু মূল বিৰোধী দলটোৱে একেৰাহে তিনিবাৰ সাধাৰণ নিৰ্বাচনত ১০০খন আসন অতিক্ৰম কৰিবলৈ সমৰ্থ হোৱা নাই। তেওঁ কয় যে কংগ্ৰেছ আৰু সমৰ্থকসকলে তেওঁলোকে এন ডি এক পৰাজিত কৰা বুলি জনসাধাৰণক পতিয়ন নিয়াবলৈ চেষ্টা কৰিছে। প্ৰধানমন্ত্ৰীয়ে কয় যে অপপ্ৰচাৰ চলোৱাৰ পাছতো লোকসভা নিৰ্বাচনত সন্মুখীন হোৱা পৰাজয়ৰ বাবে তেওঁলোকে পোৱা বেথাক তেওঁ বাৰুকৈয়ে অনুভৱ কৰিব পাৰিছে। এইবাৰৰ সাধাৰণ নিৰ্বাচনত পৰিপক্কতা আৰু জ্ঞানৰ পৰিচয় দিয়াৰ বাবে শ্ৰীমোদীয়ে দেশৰ জনসাধাৰণক ভূয়সী প্ৰশংসা কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে জনসাধাৰণে তেওঁৰ চৰকাৰৰ নীতি,

অভিপ্ৰায় আৰু নিষ্ঠাৰ প্ৰতি আস্থা প্ৰকাশ কৰিছে আৰু সেইবাবে এন ডি এ চৰকাৰক তৃতীয় কাৰ্যকালৰ বাবে ক্ষমতাত অধিষ্ঠিত কৰিছে। শ্ৰীমোদীয়ে কয় যে তেওঁৰ চৰকাৰে একমাত্ৰ ভাৰত প্ৰথম মূলমন্ত্ৰৰে পৰিচালিত হৈ আহিছে আৰু সদ্যসমাপ্ত লোকসভা নিৰ্বাচনত জনসাধাৰণে চৰকাৰৰ দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতিলৈ সমৰ্থন আগবঢ়াইছে। শ্ৰীমোদীয়ে কয় যে তেওঁৰ চৰকাৰে একাংশৰ বাবে তোষামোদ নহয় বৰং সকলোৰে বাবে ন্যায়ৰ নীতি অনুসৰণ কৰি আহিছে। বৰ্তমান চৰকাৰে সবকা সাথ সবকা বিকাশ মন্ত্ৰৰে কাম কৰি আহিছে বুলিও তেওঁ উল্লেখ কৰে। শ্ৰীমোদীয়ে তেওঁৰ উত্তৰত বিৰোধী নেতা ৰাহুল গান্ধীৰ নাম উল্লেখ নকৰাকৈ নেতাগৰাকীয়ে অগ্নিবীৰ আৰু ন্যূনতম সমৰ্থন মূল্যৰ বিষয় লৈ সদনক বিপথে পৰিচালিত কৰা বুলি অভিযোগ তোলে। তেওঁ কয় যে শ্ৰীগান্ধী সম্প্ৰতি এটা দুৰ্নীতিৰ গোচৰত জামিনত আছে আৰু অন্যান্য পিছপৰা শ্ৰেণীক অপমান কৰাৰ বাবে তেওঁক দোষী সাব্যস্ত কৰা হৈছে। কংগ্ৰেছ নেতাগৰাকী কেইবাটাও মানহানিৰ গোচৰৰ সন্মুখীন হোৱা বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। কংগ্ৰেছে সংবিধান আৰু সংৰক্ষণক লৈ অপপ্ৰচাৰ চলোৱা বুলি অভিযোগ তুলি শ্ৰীমোদীয়ে কয় যে দলটোৱে লোকসভা নিৰ্বাচনত জনসাধাৰণক বিপথে পৰিচালিত কৰিছে। কংগ্ৰেছে ইয়াৰ অৰ্থনৈতিক নীতি আৰু জাতি তথা অঞ্চল আধাৰিত বিভাজনকামী ৰাজনীতিৰে অৰাজকতা সৃষ্টি কৰা বুলি প্ৰধানমন্ত্ৰীয়ে অভিযোগ তোলে। প্ৰধানমন্ত্ৰীয়ে কয় যে লোকসভা নিৰ্বাচনৰ সমান্তৰালভাৱে বিধানসভা নিৰ্বাচন অনুষ্ঠিত চাৰিখন ৰাজ্যত এন ডি এই বিপুল ভোটত জয়লাভ কৰিছে। প্ৰধানমন্ত্ৰীয়ে ভাষণ দিয়াৰ সময়ত বিৰোধী পক্ষৰ সদস্যসকলে বিভিন্ন বিষয় লৈ সদনত প্ৰতিবাদ সাব্যস্ত কৰে। অধ্যক্ষ ওম বিৰলাই বিৰোধী পক্ষৰ একাংশ সাংসদৰ আচৰণক লৈ অসন্তুষ্টি প্ৰকাশ কৰি তেওঁলোকক সদনত শৃংখলা বৰ্তাই ৰাখিবলৈ আহ্বান জনায়। তাৰ পাছতো বিৰোধী পক্ষৰ সদস্যসকলে শ্লোগান অব্যাহত ৰাখে।

000000000

ৰাজ্যৰ বান পৰিস্থিতিয়ে জটিল ৰূপ ধাৰণ কৰিছে। প্ৰবল বৰষুণ আৰু অৰুণাচল প্ৰদেশে নামনি সোঁৱণশিৰি নদীবান্ধৰ পৰা অতিৰিক্ত পানী এৰি দিয়াৰ ফলত বান পৰিস্থিতি শোচনীয় হৈ পৰিছে। ৰাজ্যৰ ১৯খন জিলাৰ ৬ লাখতকৈ অধিক লোক বানত ক্ষতিগ্ৰস্ত হৈছে। শেহতীয়া ২৪ ঘণ্টাত তিনিচুকীয়া আৰু ধেমাজি জিলাত আৰু দুজন লোকে প্ৰাণ হেৰুওৱাত বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৩৬লৈ বৃদ্ধি পাইছে। গোলাঘাট জিলাৰ এজন লোক সন্ধানহীন হৈ আছে। ৰাজ্যৰ মুঠ এহেজাৰ ২৭৫খন গাঁৱৰ ৬৪টা ৰাজহ চক্ৰ বানৰ কবলত পৰাৰ লগতে ১৪ হাজাৰ ৭০০ হেক্টৰ কৃষিভূমিৰ ক্ষতিসাধন হৈছে। বায়ুসেনাই আজি পুৱা ডিব্ৰুগড় জিলাৰ বান ক্ষতিগ্ৰস্ত হাতিয়ালি চৰত আৱদ্ধ ১৩জন মাছমৰীয়াক উদ্ধাৰ কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাট জিলাৰ বান পৰিস্থিতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে অভিভাৱক মন্ত্ৰীসকলক ততালিকে বান ক্ষতিগ্ৰস্ত জিলাসমূহ পৰিদৰ্শন কৰাৰ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে বান ক্ষতিগ্ৰস্ত সকলো জিলাত সাহায্য শিবিৰ আৰু সাহায্য বিতৰণ কেন্দ্ৰ স্থাপন কৰাৰ লগতে উদ্ধাৰ আৰু সাহায্য অভিযানৰ বাবে এছ ডি আৰ এফ বাহিনীক নিয়োগ কৰিছে।

000000000

উত্তৰ প্ৰদেশৰ হাথৰছ জিলাৰ এখন গাঁৱৰ এটা ধৰ্মীয় সমাবেশত আজি হোৱা হেঁচা-ঠেলাৰ ঘটনাত কমেও ২৭জন লোকে প্ৰাণ হেৰুৱায় আৰু অন্য ভালেসংখ্যক লোক আহত হয়। **এটাৰ** আৰক্ষী অধীক্ষক ৰাজেশ কুমাৰ সিঙে কৈছে যে পুলৰাই গাঁৱত এটা সৎসঙ্গ অনুষ্ঠানত এই ঘটনা সংঘটিত হয়। অতিপাত ভিৰৰ বাবে হেঁচা-ঠেলাৰ ঘটনা সংঘটিত হোৱা বুলি কোৱা হৈছে। **এটাৰ** মুখ্য চিকিৎসা বিষয়া উমেশ কুমাৰ ত্ৰিপাঠীয়ে কৈছে যে বৰ্তমানলৈকে

মৰণোত্তৰ পৰীক্ষাৰ বাবে ২৭টা শৱদেহ অনা হৈছে আৰু ইয়াৰ ভিতৰত ২৫গৰাকী মহিলা আছে। এই ঘটনাত আহত ভালেসংখ্যক লোকক চিকিৎসালয়ত ভৰ্তি কৰা হৈছে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে এই ঘটনাত নিহত লোকসকলৰ শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। তেওঁ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে জিলা প্ৰশাসনক আহতসকলক ততালিকে চিকিৎসালয়লৈ লৈ যাবলৈ আৰু চিকিৎসাৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিছে।

০০০০০০০০০

ইলেকট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কাইলৈ নতুন দিল্লীত গ্লোবেল ইণ্ডিয়া এ-আই শীৰ্ষ সন্মিলন ২০২৪ মুকলি কৰিব। এই দুদিনীয়া সন্মিলনত কৃত্ৰিম বুদ্ধিমত্তা প্ৰয়োগ, নিৰীক্ষণ আৰু প্ৰতিভাত উদগণি তথা কৃত্ৰিম বুদ্ধিমত্তা খণ্ডত উদ্ভাৱনৰ প্ৰসাৰৰ বাবে বিভিন্ন বিষয় লৈ আলোচনা অনুষ্ঠিত হ'ব। মন্ত্ৰালয়ে কৈছে যে সন্মিলনত আন্তঃৰাষ্ট্ৰীয় প্ৰতিনিধি, কৃত্ৰিম বুদ্ধিমত্তা বিযেজ্ঞ আৰু নীতি প্ৰণেতাসকলে অংশগ্ৰহণ কৰিব। ইলেকট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি ৰাজ্যমন্ত্ৰী জিতিন প্ৰসাদে সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত ভাষণ দিব।

০০০০০০০০০

বিজেপিৰ সাংসদ বাঁচুৰী স্বৰাজে আজি লোকসভাত বিৰোধী নেতা ৰাহুল গান্ধীয়ে কালি ৰাষ্ট্ৰপতিৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত হোৱা আলোচনাৰ সময়ত নিম্ন সদনত দিয়া বক্তব্য সন্দৰ্ভত এখন জাননী দিয়ে। সদনৰ কাৰ্যক্ৰমণিকা আৰম্ভ হোৱাৰ পাছৰ আজি সাংসদগৰাকীয়ে জাননী দিয়াৰ লগতে বিৰোধী নেতা ৰাহুল গান্ধীয়ে নিজৰ ভাষণত বহু ভুল বক্তব্য দিয়া বুলি অভিযোগ উত্থাপন কৰে। তেওঁ কয় যে গান্ধী কিছু বক্তব্য তথ্যগতভাৱে ভুল আৰু বিপথে পৰিচালিত কৰাৰ প্ৰকৃতিৰ। সেয়েহে এই ক্ষেত্ৰত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা উচিত।

ইপিনে, ৰাহুল গান্ধীয়ে লোকসভাৰ অধ্যক্ষ ওম বিৰলাক পত্ৰযোগে সংসদৰ কাৰ্যবিৱৰণীৰ পৰা আঁতৰোৱা তেওঁৰ ভাষণৰ কিছু অংশ পুনৰ অন্তৰ্ভুক্ত কৰিবলৈ অনুৰোধ জনায়।

০০০০০০০০০

টি-২০ বিশ্বকাপ বিজয়ী ভাৰতীয় ক্ৰিকেট দলটো বাৰবাডোছৰ পৰা স্থানীয় সময় অনুসৰি আজি বিয়লি স্বদেশলৈ বুলি ৰাওনা হ'ব আৰু দলটো ভাৰতীয় সময় অনুসৰি কাইলৈ বিয়লি দেশত উপস্থিত হ'ব। দলটো বেৰিল নামৰ ঘূৰ্ণী বতাহৰ বাবে বিগত দুদিন ধৰি বাৰবাডোছত আবদ্ধ হৈ আছে। এই ঘূৰ্ণী বতাহৰ বাবে বাৰবাডোছত বিমান বন্দৰ আৰু ব্যৱসায়িক কাম-কাজত বন্ধ হৈ পৰিছে। বাৰবাডোছ আৰু ওচৰ পাজৰৰ দ্বীপসমূহত তীব্ৰ বতাহ বলি আছে। ভাৰতীয় দলটো স্থানীয় সময় অনুসৰি কালি দিনৰ ১১ বজাত বাৰবাডোছৰ পৰা ৰাওনা হোৱাৰ কথা আছিল।

০০০০০০০০০

**সমাপ্ত**